# সাংবাদিক-সাহিত্যিক কীৰ্তিনাথ হাজৰিকা

## (ড°) প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য

... অগ্ৰজ সাংবাদিক, অসম সাহিত্য সভাৰ হাইলাকান্দি অধিৱেশনৰ সভাপতি শ্ৰীমন্ত শংকৰদেৱ বঁটা বিজয়ী বৰেণ্য সাহিত্যিক, নিৰ্ভীক জাতীয়তাবাদী শ্ৰীযু কীৰ্তিনাথ হাজৰিকাৰ হঠাতে হোৱা পৰলোকৰ বাতৰিয়ে আমাক গভীৰভাে শোকাভিভূত কৰিছে। ১৯৪৭ চনৰ ১ জুলাই তাৰিখে শিলপুখুৰীৰ নিউ প্ৰেছ পৰা দেৱকান্ত বৰুৱাৰ সম্পাদিত 'দৈনিক অসমীয়া' বাতৰিকাকতত মই হাজৰিক ককাইদেউক অগ্ৰজ সাংবাদিক-সতীৰ্থ-দ্ৰষ্টাৰূপে লগ পাইছিলোঁ আৰু তেওঁৰ পৰ সাংবাদিকতাৰ অ-আ শিকি তেওঁৰ গুণাৱলী-চৰিত্ৰৰ পৰা ওবেটি জীৱন অনুপ্ৰাণিত হৈ আছোঁ। যোৱা মাৰ্চ মাহত প্ৰয়াত অতুলচন্দ্ৰ বৰুৱা ন্যাস সমিতিৰ সভাত সভাপতিত্ব কৰোঁতে নিবিড়ভাৱে শেষবাৰৰ বাবে তেওঁক লগ পাইছিলোঁ। 'কৰ্ম যাৰ জীৱনৰ বাণী'— এনে আদৰ্শত সদা সচেতন কৰ্ম-তৎপৰ জীৱনধাৰাৰে স্বৰাজোত্তৰ অসমৰ সাংবাদিকতা, সাহিত্য সেৱা আৰু জাতীয় স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত 'দৈনিক অসমীয়া', 'নতুন অসমীয়া', 'ৰামধেনু', 'দৈনিক অসম' আদি বাতৰিকাকত-আলোচনীৰ জৰিয়তে কীৰ্তিনাথ হাজৰিকাই আগবঢ়াই যোৱা মহৎ অৱদানে আৰু তেওঁৰ সাহিত্য-সংবাদসেৱাই পৰৱৰ্তী প্ৰজন্মক সদায়ে জাতীয় চিন্তা, দেশসেৱাৰ অৰ্থে উদ্বুদ্ধ কৰি তোলে যেন। এই আশাৰে শ্ৰদ্ধেয় কীৰ্তিনাথ হাজৰিকাৰ স্মৃতিত আমাৰ জড়িত গুৱাহাটী আলোচনা চক্ৰ, বি. বৰুৱা কলেজ, চানমাৰী সাহিত্য সভা নৱগিৰি-নিজবাপাৰ শিৱ মন্দিৰ সমিতি আদিৰ হৈ আন্তৰিক ভক্তি অৰ্ঘ্য নিবেদন কৰিলোঁ। তেওঁৰ আত্মাৰ পৰম শান্তি কামনাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈকো সমবেদনা যাচিলোঁ। যোৱা দুকুৰি পোন্ধৰ বছৰে হাজৰিকা ককাইদেউৰ সৈতে নানা সভা-সমিতি-অনুষ্ঠান-প্ৰতিষ্ঠানৰ জৰিয়তে 'উৎসৱ-ব্যসনে . চৈব...' অনুজ বন্ধুসুলভ সম্বন্ধৰে জড়িত আছিলোঁ সেয়া অৱৰ্ণনীয় স্মৃতিৰেখাৰূপে চকুৰ আগত ভাঁহি উঠিছে। ◆